দৈনিক জনমভূমি

গুৱাহাটী বৃহস্পতিবাৰ ৩ এপ্রিল, ২০০৮

সজ কথা !

মুখ্য মন্ত্রী তৰুণ গগৈয়ে এইবাৰ ৰাজ্যৰ মীন খণ্ডত বিপ্লৱৰ অনাত গুৰুত্ব দিছে। ৰাজ্যৰ ৰাজধানীত মৎস্য মহোৎসৱত ভাষণ দি মুখ্য মন্ত্রীয়ে থলুৱা প্রজাতিৰ মাছৰ সুৰক্ষা আৰু তাৰ বংশবৃদ্ধিৰ কথাও কৈছে। নিশকতীয়া মীন বিভাগক উন্নত কৰাত গুৰুত্ব দি মুখ্য মন্ত্রীয়ে উপযুক্ত পদক্ষেপ লোৱাৰ কথা কৈছে। মাছ পালন বা মাছৰ খেতিৰ উপযুক্ত পৰিৱেশ থকা ৰাজ্যখনলৈ দিনে বাহিৰৰ ৰাজ্যৰ পৰা মাছ আমদানি কৰিব লগীয়া হয়। খাল-বিল, ডোং, নদ-নদীৰে পৰিপূৰ্ণ এই অঞ্চলটো মাছ উৎপাদনত স্বাৱলম্বী হ'ব লাগিছিল যদিও আজিলৈকে সেয়া হৈ উঠা নাই। মীন খণ্ডৰ উন্নয়নৰ বাবে যথেষ্ট ঋণ আদি লোৱা হৈছিল যদিও ই কোনো দিনেই ঠন ধৰি উঠিব পৰা নাই। ৰাজ্যৰ মৎস্য নীতি সাহায্যকাৰী প্রতিষ্ঠানৰ নির্দেশত চলে আৰু বিভাগটো আন দহটা চৰকাৰী বিভাগৰ দৰে নিষ্ক্রিয় আৰু সাৰ-সুৰহীন।

মুখ্য মন্ত্রীৰ সুৰতে সুৰ মিলাই মীন মন্ত্রী নুৰজামাল সৰকাৰে থলুৱা প্রজাতিৰ মাছৰ সুৰক্ষা আৰু উৎপাদনৰ কথা কৈছে। নিঃসন্দেহে এয়া সজ কথা। কিন্তু যোৱা প্রায় এবছৰত তেওঁ ৰাজহুৱাকৈ দুবাৰো ঘোষণা কৰিছিল যে মহানগৰবাসীক তেওঁ থলুৱা মাছৰ যোগান ধৰিব। তেওঁৰ সেই আশ্বাসৰ সাৰ-সিকতি আজিলৈকে নাই। ৰাইজে থলুৱা মাছ নির্দিষ্ট বিক্রী কেন্দ্রত পোৱাৰ আশা কাহানিবাই বাদ দিছে। তেওঁ আৰু কৈছে যে কণী থকা মাছ ধৰাটো বন্ধ কৰিবলৈ চৰকাৰে নির্দেশ দিছে। প্রতি বছৰে ১৫ এপ্রিলৰ পৰা জুলাই মাহলৈকে এনে নির্দেশ বলৱৎ থাকে যাতে কণী থকা মাছ আৰু পোনা মাছ কোনোৱে জালেৰে উঠাব নোৱাৰে। কিন্তু এই সময়ছোৱাত বজাৰলৈ চকু দিলেই গম পোৱা যায় চৰকাৰৰ সজ কথাৰ কোনো সুফল নাই। ৰাজ্যৰ মীন বিভাগে মাছ পোহাৰ বাবে ৰৌজাতীয় পাঁচবিধ মাছ পুহিবলৈকে ৰাইজক কয়। কাৰণ ই সহজে ডাঙৰ হয়। ফলত থলুৱা মাছ উৎপাদনৰ কথা তল পৰে। তদুপৰি বিজ্ঞানসন্মতভাৱে মাছ পোহা, উৎপাদন বৃদ্ধিৰ বাবে ল'ব লগীয়া ব্যৱস্থা, উপযুক্ত মাছৰ পোনা আদিৰ অভাৱজাতীয় এশ এবুৰি সমস্যা আছে। বিভাগটো সক্রিয় আৰু কার্যদক্ষ নহ'লে বা ৰাইজক অনুপ্রাণিত কৰিব নোৱাৰিলে মুখ্য মন্ত্রীৰ মীন বিপ্লৱৰ স্বপ্ন দিঠক হোৱাৰ সম্ভাৱনা নাই।

থাইলেণ্ডৰ প্রতিষ্ঠানে ইয়াত মাছ উৎপাদনৰ বাবে বিনিয়োগ কৰাৰ প্রস্তাৱ আদৰণীয়। দেশখন মাছ উৎপাদনত যথেষ্ট আগ বঢ়া। কেৱল বিনিয়োগেই উৎপাদন বঢ়াব নোৱাৰে, যদিহে সংশ্লিষ্ট বিভাগৰ নিষ্ঠা আৰু কার্যদক্ষতা নাথাকে। ৰাজ্যখন মাছ উৎপাদনৰ বাবে প্রাকৃতিকভাৱেই সুচল। এই সুচলতাৰ ব্যৱহাৰহে হোৱা নাই। থলুৱা মাছৰ উৎপাদন মীন বিভাগে দিহা দিয়া পাঁচবিধ মাছৰ দৰে খৰতকীয়া নহ'লেও বজাৰত ইয়াৰ চাহিদা আছে আৰু দৰো বেছি। কেইবিধমান মাছৰ ৰপ্তানিৰ সম্ভাৱনাও আছে। কিন্তু ইয়াৰ বাবে প্রয়োজনীয় ব্যৱস্থা আৰু সজাগতাৰ দিহা চৰকাৰে কৰিব লাগিব। উৎসৱ, মহোৎসৱৰ আৰু আশ্বাসৰ হেঁচাত সততে মূল কথা তল পৰে। ক্ষণিকৰ সজ কথাই কোনো ক্ষেত্রতে সুদূৰপ্রসাৰী প্রভাৱ যে পেলাব নোৱাৰে চৰকাৰে তাক উপলব্ধি কৰা উচিত।

জলবায়ু পৰিৱৰ্তনৰ পৰিণতি

দিব্যা বাদামী ৰাও

জলবায়ু পৰিৱৰ্তনৰ ফলত পৃথিৱীৰ চৌদিশে বিপদ-ঘণ্টা বাজিছে— এই ক্ষেত্রত ইতিমধ্যে ঘটি যোৱা ঘটনাবিলাকৰ বাবে নহয়, তেনে আন বহু ঘটনাৰ সংকেত বহন কৰিছে এই পৰিৱৰ্তনে। যোৱা বছৰটোত ইণ্টাৰ গৱৰ্ণমেণ্টেল পেনেল অন ক্লাইমেট ছেইঞ্জ (আই পি চি চি)ৰ চতুৰ্থ মূল্যায়ন প্রতিবেদন, জলবায়ুৰ পৰিৱৰ্তন আৰু মানৱ উন্নয়নৰ ওপৰত আলোকপাত কৰা হিউমেন ডেভেলপমেণ্ট ৰিপ'ৰ্ট ২০০৭/২০০৮ আৰু ২০০৭ চনৰ ডিচেম্বৰত বালিত হোৱা ইউনাইটেড নেশ্যনছ ফ্রেইমৱৰ্ক কনভেশ্যন অন ক্লাইমেট ছেইঞ্জ (ইউ এন এফ চি চি)ৰ প্রতিবেদনসমূহ প্রকাশ হোৱা আমি দেখিছোঁ। আই পি চি চিৰ প্রতিবেদন মতে, ২১ শতিকাত পৃথিৱীৰ উত্তাপ ১.৮° চেলচিয়াছৰ পৰা ৪° চেলচিয়াছলৈ বৃদ্ধি পাব।

একেদৰে হোৱা উত্তাপ বৃদ্ধি আন ভালেমান পৰিৱৰ্তনৰ কাৰক হৈ পৰিব পাৰে আৰু এনেবোৰ পৰিৱৰ্তনে পুনৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগাব পাৰে। উদাহৰণ স্বৰূপে, উচ্চ অঞ্চলবোৰত থকা বৰফ গলাৰ ফলত বায়ুমণ্ডললৈ সৌৰ বিকিৰণৰ প্রতিফলন ঘটোৱা উপৰিপৃষ্ঠৰ আয়তন হ্ৰাস পাব পাৰে। ফলত বায়ুমণ্ডলত অধিক পৰিমাণে সৌৰ বিকিৰণ প্রৱেশ কৰাৰ বাবে উত্তাপ অধিক বৃদ্ধি পাব। একেদৰে মহাসাগৰবিলাকেও কাৰ্বন-ডাই-অক্সাইড শোষণ কৰি একপ্রকাৰ নৰ্দমাৰ ভূমিকা পালন কৰি আহিছে। কিন্তু ভূমণ্ডলীয় উত্তাপ বৃদ্ধিৰ ফলত মহাসাগৰবিলাকৰো উষ্ণতা বৃদ্ধি পোৱাত কাৰ্বন-ডাই-অক্সাইডৰ শোষণ ক্ষমতা সিবিলাকে হেৰুৱাই পেলাইছে। ইয়াৰ ফলত বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি পাইছে আৰু ইয়াৰ উত্তাপ বৃদ্ধি পাইছে। মহাসাগৰবিলাকৰ উত্তাপ বৃদ্ধি পোৱাৰ ফলত বায়ুমণ্ডলত জলীয় বাষ্পৰ পৰিমাণো বৃদ্ধি পাইছে। এই জলীয় বাষ্পবোৰ যিহেতু গ্রীনহাউছ গেছ, ইবিলাকে উত্তাপ বৃদ্ধিত অৰিহণা যোগাইছে। কাৰ্য কাৰণৰ এই শৃংখলটোক কোৱা হয় 'যোগাত্মক পূৰ্বানুবৃত্তি'। পৃথিৱীৰ উত্তাপ ২° চেলচিয়াছ বৃদ্ধি পালেই এই প্রক্রিয়াটো অধিক সচল হৈ পৰিব। তাপমাত্ৰাৰ বৃদ্ধি ২° চেলচিয়াছৰ তলত ৰখাটো সেয়ে অতি দৰকাৰ।

জলবায়ু পৰিৱৰ্তনৰ ফলত কেৱল উত্তাপৰে বৃদ্ধি নঘটে। সমগ্ৰ আৱহমণ্ডলতে বিভিন্ন ধৰণে ইয়াৰ প্রভাৱ পৰে। জলবায়ুৰ অধ্যয়ন কৰাটো অত্যন্ত জটিল হোৱা হেতুকে এই ক্ষেত্রত নিশ্চিতভাৱে কিবা কোৱাৰ পৰিৱৰ্তে সম্ভাব্য ৰূপ এটাহে দাঙি ধৰে। তথাপি বানপানী, ধুমুহা, গৰম আৰু খৰাং আদি সঘনাই ঘটিব বুলি ক'ব পাৰি। বিশ্বজুৰি এই প্রাকৃতিক ঘটনাবোৰ ঘটা আমি দেখিবলৈ পাইছোঁ। এই ঘটনাবোৰ ভূমণ্ডলীয় উত্তাপ বৃদ্ধিৰ ফলতে ঘটা বুলি ক'ব পাৰি যদিও কোনো এটা বিশেষ ঘটনা আৰু ভূমণ্ডলীয় উত্তাপ বৃদ্ধি বা জলবায়ু পৰিৱৰ্তনৰ মাজত সম্পৰ্ক স্থাপন কৰাটো সম্ভৱ নহয়।

২০০৭/০৮ চনৰ হিউমেন ডেভেলপমেণ্ট ৰিপ'ৰ্টৰ মতে, সাগৰীয় ধুমুহা, খৰাং, হঠাতে হোৱা বান আদিৰ দৰে জলবায়ু-সম্পৰ্কীয় দুৰ্যোগত ২০০০-০৪ চনলৈকে বিশ্বজুৰি ২৬২ নিযুত লোক ক্ষতিগ্রস্ত হয়। ইয়াৰে ৯৮ শতাংশতকৈয়ো অধিকসংখ্যক লোক হৈছে উন্নয়নশীল দেশবিলাকৰ বাসিন্দা। দৰিদ্র হোৱা হেতুকে এই লোকসকলৰ এনে বিপদৰ মুখামুখি হোৱাৰ শক্তি কম।

জলবায়ু পৰিৱৰ্তনৰ ফলত ভাৰতত বৈষম্য বৃদ্ধি পোৱাৰ উপৰি খাদ্য আৰু পানীৰ অভাৱেও দেখা দিব। সাগৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি পোৱাৰ ফলত ৮০০০ কিঃমিঃ জোৱা উপকূলীয় অঞ্চলৰ কৃষিভূমিত সংকটৰ সৃষ্টি হ'ব। এই অঞ্চলসমূহত বানপানী হ'ব আৰু ভূজলৰ উৎসসমূহত সাগৰৰ পানী সোমাই লুণীয়া হৈ পৰিব। ভূজল যে কেৱল খোৱাপানীৰে এটা গুৰুত্বপূৰ্ণ উৎস তেনে নহয়, কৃষিও আংশিকভাৱে ভূজলৰ ওপৰত নিৰ্ভৰশীল। কোনো এটা ঋতুত হোৱা বৰষুণৰ আনুপাতিক বৃদ্ধি আৰু ইয়াৰ লগে লগে হঠাতে হোৱা প্রবল বৰষুণে বৰ্তমান কৃষি ব্যৱস্থাত সংকটৰ সৃষ্টি কৰিব পাৰে। উষ্ণতা বৃদ্ধিয়ে ঘটোৱা এনে পৰিৱৰ্তনবোৰৰ ফলত কৃষিৰ উৎপাদনো হ্ৰাস পাবলৈ ধৰিব। অধ্যয়নৰ পৰা দেখা হৈছে যে বৰ্তমান অৱস্থাত তাপমাত্ৰাৰ ৩° চেলচিয়াছ বৃদ্ধি ঘটিলেও কৃষিত উৎপাদন ১৫-২০% হ্ৰাস পাব পাৰে। আনকি তাপমাত্ৰা ২° চেলচিয়াছ বৃদ্ধি পালেও এই ক্ষেত্রত বিশেষ প্রভাৱ পাৰিব।

হিমালয়ৰ ৪৬৬টা গ্লেছিয়াৰ গলিবলৈ ধৰাত ইতিমধ্যেই উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। এই শতিকাৰ বাকী সময়ছোৱাত তাপমাত্ৰা যিদৰে বৃদ্ধি পাব বুলি ভৱিষ্যদ্বাণী কৰা হৈছে, তাতকৈ এইছোৱাত বৃদ্ধি হোৱা সত্ত্বেও ১৯৬২-ৰপৰা বৰ্তমান সময়ছোৱাৰ ভিতৰত গ্লেছিয়াৰৰ উপৰিপৃষ্ঠ ২১ শতাংশ হ্ৰাস পাইছে। গ্লেছিয়াৰ গলিবলৈ ধৰাত সমগ্ৰ জল ব্যৱস্থাটোতে পৰিৱৰ্তন ঘটিছে। ভূ-স্খলন আৰু গেদ পৰিবলৈ ধৰাৰ ফলত কৃষি, পানী যোগান আদিৰ ক্ষেত্রতো প্রভাৱ পৰিছে।

এনে পৰিৱৰ্তনৰ ফলত মানুহৰ স্বাস্থ্য, খাদ্য আৰু পানী যোগানৰ ওপৰতো প্রভাৱ পৰিব। অত্যধিক গৰম, বানপানী, খৰাং আদিৰ দৰে পৰিস্থিতিৰ আমি সন্মুখীন হ'ম। তদুপৰি সংক্রামক ৰোগবোৰৰো জলবায়ু পৰিৱৰ্তনৰ ফলত প্রাদুৰ্ভাৱ ঘটিব। উদাহৰণ স্বৰূপে তাপমাত্ৰা আৰু আৰ্দ্ৰতা বঢ়াৰ লগে লগে মেলেৰিয়াৰ প্রাদুৰ্ভাৱ ঘটিব। একেদৰে দেশৰ উপকূল অঞ্চলত ফাইট'প্লেংঙটনৰ বৃদ্ধি ঘটাৰ লগে লগে কলেৰা ৰোগৰ প্রসাৰ ঘটিব।

আই পি চি চিৰ দ্বিতীয় কৰ্মী গোটটোৱে প্রস্তুত কৰা জলবায়ু পৰিৱৰ্তনৰ ফলত হোৱা পৰিৱৰ্তনৰ বিষয়ে তেওঁলোকৰ অধ্যয়নত উল্লেখ কৰিছে। যোৱা কেইবছৰমানত দক্ষিণ-পূব এছিয়া অঞ্চল আৰু ভাৰতীয় উপমহাদেশত হোৱা পৰিৱৰ্তনবিলাকৰ বিষয়ে উল্লেখ কৰা হৈছে এই অধ্যয়নত। উদাহৰণ স্বৰূপে ২০০২-০৪ সময়ছোৱাৰ ভিতৰত বাংলাদেশ, নেপাল আৰু উত্তৰ-পূবৰ ৰাজ্যবোৰত সঘনাই বানপানী হোৱা দেখা গৈছিল। মুম্বাইত ২০০৫ চনৰ ২৬ জুলাইত হোৱা বৰষুণত বিস্তৰ ক্ষতিসাধন হৈছিল। ২০০৬ চনত চুৰাট, বৰমাৰ আৰু শ্রীনগৰত হোৱা বৰষুণ, ২০০৩ চনৰ ১৭ মে'ত শ্রীলংকাৰ দক্ষিণ প্রদেশত হোৱা বানতো একেধৰণৰ ক্ষতি হৈছিল। আনহাতে ১৯৯৯ আৰু ২০০০ চনত পাকিস্তান আৰু উত্তৰ-পশ্চিম ভাৰতত হোৱা খৰাঙৰ ফলত পানীৰ পৰিমাণ যথেষ্ট হ্ৰাস পাইছিল। ২০০১-ৰপৰা ২০০২-লৈ একেৰাহে হোৱা খৰাঙৰ ফলত উৰিষ্যাত ১১ নিযুত মানুহ খাদ্য সংকটত পৰিছিল।

বতৰ আৰু জলবায়ু পৰিৱৰ্তনৰ ফলত হোৱা এনে ঘটনাসমূহৰ প্রভাৱ দুৰ্বল শ্ৰেণীৰ ওপৰত বেছিকৈ পৰে। এনেধৰণৰ বিপদসমূহৰ পৰা নিজকে ৰক্ষা কৰাৰ উপায় এওঁলোকৰ নাই। ধনী দেশবোৰত বিভিন্ন ব্যৱস্থাৰে এনে পৰিৱৰ্তনৰ মোকাবিলা কৰিবলৈ যত্ন কৰা হৈছে যদিও কাৰিকৰী জ্ঞান আৰু বিত্তীয় নাটনিৰ বাবে দুখীয়া দেশবোৰে এই ক্ষেত্রত বিশেষ ব্যৱস্থা ল'ব পৰা নাই। সেইবাবেই উন্নয়নশীল দেশবোৰত সা-সম্পত্তিৰ ক্ষতি, খাদ্যাভাৱ, স্বাস্থ্য ৰক্ষা আদিৰ ক্ষেত্রত সংকটে দেখা দিয়াৰ লগতে খৰাং, বানপানী ইত্যাদিৰ সময়ত বিভিন্ন ৰোগৰ প্রাদুৰ্ভাৱ ঘটে। ঔদ্যোগীকৰণ, নগৰায়ণ, জনসংখ্যা বৃদ্ধি, অ-শিক্ষা, স্বাস্থ্য সেৱাৰ অভাৱ আদিয়ে সমস্যাবোৰ আৰু অধিক জটিল কৰিহে তুলিছে। বৰ্তমান সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক গাঁথনিটোৰ ফলত সৃষ্টি হোৱা বৈষম্যৰ উপৰি জলবায়ু পৰিৱৰ্তনে পেলোৱা প্রভাৱসমূহেও মানুহৰ বিকাশৰ ওপৰত গভীৰ প্রভাৱ পেলাইছে। মানুহৰ সক্ষমতা তথা উৎপাদনশীলতা ইয়াৰ ফলত হ্ৰাস পাইছে।

জলবায়ু পৰিৱৰ্তনৰ প্রভাৱ কেৱল পৰিৱেশৰ ক্ষেত্রতে সীমিত হৈ নাথাকে, সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্রতো ইয়াৰ প্রভাৱ পৰে। গুৰুত্বপূৰ্ণ কথাটো হ'ল, পৃথিৱীৰ সকলোতে ইয়াৰ প্রভাৱ পৰিছে। বিগত বছৰবোৰত জলবায়ু পৰিৱৰ্তনৰ প্রভাৱ বৃদ্ধি পোৱাৰ লগে লগে ইয়াৰ ফলত গৃহহাৰা হোৱা শৰণাৰ্থীৰ সংখ্যাও বাঢ়িবলৈ ধৰিছে। জলবায়ু পৰিৱৰ্তনে যাতে আমাৰ ওপৰত প্রভাৱ নেপেলায়, তাৰ বাবে এই পৰিৱৰ্তনবোৰৰ মোকাবিলা কৰিবলৈ ব্যৱস্থা লোৱাৰ সময় আহিছে।

(লেখিকা বাংগালোৰৰ চেণ্টাৰ ফৰ ইণ্টাৰ ডিচিপ্লিনেৰী ষ্টাডিজ ইন এনভাইৰনমেণ্ট এণ্ড ডেভেলপমেণ্টৰ এগৰাকী গৱেষক। ই-মেইল ঃ divya@isec.ac.in)।

বিদ্যালয়ত মৌলবাদ প্ৰসংগ

মানসী গোস্বামী

মৌলবাদ আৰু সাম্প্রদায়িক মনোবৃত্তি, সমগ্ৰ বিশ্বকে আতংকগ্রস্ত কৰি ৰখা এই দুই ব্যাধি সম্পৰ্কে আমাৰ অধিকাংশ ভাৰতীয়ৰ মনত প্রচলিত এটি ভুল ধাৰণা হ'ল যে হিন্দু ধৰ্মত মৌলবাদৰ স্থান নাই; ধৰ্মীয় সন্ত্রাসৰ সৃষ্টি আৰু ব্যাপ্তিৰ আঁৰত থকা মূল কাৰক হ'ল হিন্দু ধৰ্মৰ বাহিৰে অন্যান্য ধৰ্মাৱলম্বীসকল। নক'লেও হ'ব— হিন্দু ধৰ্মকে একমাত্র উদাৰ নৈতিক আৰু সমদৃষ্টিসম্পন্ন বুলি নিৰ্বিবাদে স্বীকাৰ কৰি লোৱা এইধৰণৰ ধাৰণাও এক প্রকাৰৰ মৌলবাদী দৃষ্টি কোণ মাত্র আৰু এই কথাষাৰৰ বাবেই ভাৰতত ব্যাপ্ত হৈ পৰা হিন্দু ধৰ্মীয় মৌলবাদী দৃষ্টিকোণৰ কথা প্রসংগক্রমে উল্লেখ কৰি 'বিদ্যালয়ত মৌলবাদ' প্ৰৱন্ধৰ লেখিকা বৰ্ণালী বৰুৱা দাস সন্মুখীন হৈছে একপক্ষীয় প্রতিবাদৰ। অস্বাভাৱিক নহ'লেও দাসৰ প্রবন্ধৰ প্রতিবাদত প্রকাশিত প্রতিক্রিয়াসমূহত আমি এটা কথা লক্ষ্য কৰিছো যে দাসে নিজৰ প্রবন্ধত আগবঢ়োৱা উদাহৰণসমূহক লৈ এওঁলোকৰ অনেকেই নিমাত। এই নীৰৱতাৰ গুৰি কাৰণ কি সেয়া অনুমান কৰিবলৈ বেছি সময়ৰ প্রয়োজন নহ'ব বুলিয়েই আমাৰ ধাৰণা। হিন্দু ধৰ্মত মৌলবাদ আছেনে নাই, সেই বিষয়ে খুব বেছি বাদ-বিবাদলৈ নোযোৱাকৈও এটা কথা ক'ব পাৰি যে যি ধৰ্মই নিজৰ ভিতৰতে জাতি-বৰ্ণ ভেদৰ দৰে এক নিকৃষ্ট পৰম্পৰাৰ অৱতাৰণা আৰু পোষকতা কৰি এটা জাতি বা বৰ্ণক শ্ৰেষ্ঠ আসন দিয়ে, সেই ধৰ্মৰ উদাৰতা আৰু সমদৃষ্টি কেতিয়াও প্রশ্নাতীত নহয়। আমি আশা কৰো হিন্দু ধৰ্মৰ 'সৰ্বধৰ্ম সমভাব', 'পন্থ নিৰপেক্ষতা' আদিৰ সপক্ষে থিয় দিয়া সকলো চিন্তাশীল ব্যক্তিয়েই এই বৰ্ণবাদী চৰিত্ৰৰ কথা এবাৰ মনলৈ আনিব।

এইবাৰ অহা যাওক মূল প্রসংগলৈ, অৰ্থাৎ বিদ্যালয়ত মৌলবাদৰ প্ৰসাৰ বিষয়লৈ। এইখিনিতে আমি এটা কথা সকলোৰে দৃষ্টিলৈ আনিব বিচাৰো যে যিহেতু লেখিকাৰ প্রবন্ধটিত আৰ এছ এছ চালিত বিদ্যালয়সমূহৰ কথা উল্লেখ কৰা হৈছে, সেয়েই লেখিকাই এই বিদ্যালয়বোৰত কিদৰে হিন্দুত্বভিত্তিক মৌলবাদৰ কৰ্ষণ হৈছে, সেই আলোচনাতেই সীমিত থাকিল। কিন্তু তাৰ অৰ্থ নিঃসন্দেহে এয়া নহয় যে তেওঁ অন্য ধৰ্মৰ পৃষ্ঠপোষকতাত প্ৰসাৰিত মৌলবাদক আওকাণ কৰিছে। আনহাতে বিদ্যা ভাৰতীৰ অন্তৰ্গত শংকৰদেৱ শিশু নিকেতনৰ দৰে বিদ্যালয়ত থকা মৌলবাদী দৃষ্টিকোণৰ ছদ্মবেশী ৰূপটোক আমি অস্বীকাৰ কৰিব যে নোৱাৰো, সেয়াও এক কটু সত্য। এনে বিদ্যালয়সমূহৰ পৰিচালনা তথা কাৰ্যাৱলীৰ কিছুমান সৰু কথালৈ মন কৰিলেই এই সত্য স্পষ্ট হয়। অতীত ঐতিহ্যৰ প্রতি অন্ধপ্রীতিৰ নিদৰ্শন (যি মৌলবাদৰ অন্যতম বৈশিষ্ট্য) দাঙি ধৰি এই বিদ্যালয়বোৰত শিক্ষক-শিক্ষয়িত্রীৰ প্রতি শব্দ ৰূপে ব্যৱহাৰ কৰা হয় আচাৰ্য-আচাৰ্যা, ছাত্রাধিনায়ক বা ক্লাছ কেপ্টেইন শব্দৰ ঠাইত সেনাপতি আদিৰ দৰে শব্দ। আনহাতে এনে এখন শংকৰদেৱ শিশু নিকেতনৰ এগৰাকী আচাৰ্যাই এই লেখিকাৰ ব্যক্তিগত অনুসন্ধানত প্রকাশ কৰা মতে এই বিদ্যালয়ত সৰ্বাধিক গুৰুত্ব দিয়া বিষয় হ'ল 'হিন্দুত্ব'। আনহাতে হিন্দু ধৰ্মৰ হোৱাটো এই বিদ্যালয়সমূহৰ শিক্ষক হ'বৰ বাবে দৰকাৰী এক অন্যতম অৰ্হতা। ইয়াৰ উপৰি একেগৰাকী আচাৰ্যাই প্রকাশ কৰা মতে ইয়াৰ প্রতিগৰাকী ছাত্র-ছাত্রীয়ে (তেওঁ যি ধৰ্মৰে নহওক কিয়) সৰস্বতী পূজা, প্রতিদিনে অনুষ্ঠিত প্রাৰ্থনা সভাত সৰস্বতী বন্দনা আদিকে মুখ্য কৰি সকলো হিন্দু ধৰ্মীয় কাৰ্যকলাপত অংশ লোৱাটো বাধ্যতামূলক। এতিয়া আমাৰ মনলৈ অহা প্রশ্নটো হ'ল নিজৰ ধৰ্মৰ প্রতি অনুগত এজন ছাত্রই যদি এই বাধ্যতামূলক কাৰ্যসূচীক নিজৰ ধৰ্ম বিৰোধী বুলি তাত অংশগ্রহণ কৰিব নিবিচাৰে, তেন্তে এই বিদ্যালয়সমূহৰ কৰ্তৃপক্ষৰ কাৰ্যপন্থা কি হ'ব? অথবা অন্য ধৰ্মৰ ক্রিয়া-কলাপত অংশ ল'বলৈ বাধ্য কৰোৱাটো এনে বিদ্যালয়সমূহৰ কিধৰণৰ ধৰ্মনিৰপেক্ষতা, সেই কথা আমাৰ বোধগম্যতাৰ বাহিৰত।

বিদ্যাভাৰতীৰ বিদ্যালয়ৰ সমৰ্থনত উল্লেখিত এষাৰ কথা হ'ল যে ইয়াত ভাৰত মাতাৰ বন্দনা কৰিবলৈ শিকোৱা হয়। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে এই দেশ-মাতৃৰ বন্দনাৰ স্থান কিন্তু সৰস্বতী বন্দনাৰ পাছতহে। অৰ্থাৎ আগতে ধৰ্ম, পিছতহে দেশ। তদুপৰি এই বিদ্যালয়সমূহৰ সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপনৰ তালিকাতো বিশেষ স্থান পায় হিন্দু ধৰ্মীয় উৎসৱ-পাৰ্বণ আদিয়ে। গতিকে ইয়াৰ পাছতো যদি এই বিদ্যালয়সমূহৰ মাজত বৰ্তি থকা মৌলবাদী চিন্তাক আওকাণ কৰা যায়, তাতকৈ বিপজ্জনক একো হ'ব নোৱাৰে।

মৌলবাদৰ এক অন্যতম লক্ষণ হ'ল অতীতকেন্দ্রিক ধাৰণাৰ অতিৰঞ্জন। ভাৰততো হিন্দুত্ব পন্থীসকলে প্রচাৰ আৰু বিশ্বাস কৰা এনে এক অতিৰঞ্জন হ'ল প্রাচীন ভাৰতীয় সভ্যতাৰ সৰ্বশ্ৰেষ্ঠতা। ইয়াৰ লগতে তেওঁলোকে গুৰুত্ব দিয়ে শাস্ত্রীয় ঐতিহ্যৰ পুনঃপ্রতিষ্ঠাত, যি ঐতিহ্যৰ কেন্দ্র বহু সময়ত অসমতা, মৌলবাদ, বৰ্ণভেদ তথা লিংগভেদৰ সূত্ৰধাৰ ৰূপী মনুসংহিতাৰ দৰে শাস্ত্র। ভাৰতীয় সভ্যতা আৰু ইয়াৰ জ্ঞান সাধনাৰ প্রতি যথাযোগ্য শ্ৰদ্ধা জ্ঞাপন কৰিলেও আমি এটা কথা বিশ্বাস কৰো যে পৃথিৱীৰ অন্য সভ্যতাৰ দৰেই ইয়ো শ্ৰেষ্ঠ, কিন্তু সৰ্বশ্ৰেষ্ঠ নহয়। নিজৰ নিজৰ স্থানত প্রত্যেক সভ্যতাৰে সমমৰ্যাদা আছে আৰু সেয়েই ইহঁতক তুলনা কৰি এটাক শ্ৰেষ্ঠ, আনটোক নিকৃষ্ট বোলা নাযায়। কিন্তু দাসৰ প্রবন্ধৰ প্রতিক্রিয়া ৰূপে লিখিত কেইবাখনো চিঠিত এই সমতুল দৃষ্টি দেখা নাপাই আমি হতাশ হৈছো। বিশ্বৰ কোনো এজন ব্যক্তিয়ে মত পোষণ কৰিলে বুলিয়ে বা সংস্কৃত ভাষাক ব্যৱহাৰ কৰিলে বুলিয়ে ভাৰতীয় সভ্যতা-সংস্কৃতি সৰ্বশ্ৰেষ্ঠ হৈ পৰিব, তেনে ধাৰণা সম্পূৰ্ণৰূপে অবৈজ্ঞানিক।

এইবাৰ আহোঁ আৰ এছ এছৰ দৰে অনুষ্ঠানৰ দ্বৈত চৰিত্ৰৰ কথালৈ। এফালে দুৰ্গতজনৰ সেৱাত ব্রতী বুলি আত্ম প্রচাৰত মগ্ন এনে সংঘৰ ছত্ৰছাঁয়াত কিদৰে বাব্‌ৰি মছজিদ ধ্বংস, সাম্প্রদায়িক সংঘৰ্ষ অথবা হিন্দুত্বৰ বাণী প্রচাৰ হয়, সেয়া এতিয়া গোপন হৈ থকা নাই। 'হিন্দুত্ব' প্রতিষ্ঠাৰ নীতিৰে সংঘবদ্ধ আৰ এছ এছৰ দৰে সংগঠনে সমগ্ৰ দেশৰ চুকে-কোণে ছলে-বলে-কৌশলে অহিন্দুক দেশৰ পৰা নিৰ্মূলৰ যি পৰিকল্পনা চলাই আছে, সেয়া সমগ্ৰ দেশৰ বাবেই বিপজ্জনক। এইখিনিতে আৰ এছ এছৰ কাৰ্যকলাপক একপক্ষীয়ভাৱে চাই সমৰ্থন কৰিব খোজাসকলো জনলৈ আমাৰ এক বিশেষ অনুৰোধ (যদিওবা অপ্রাংসগিক) যে এই কটু সত্যটিক জানিবৰ ইচ্ছা থাকিলে তেওঁলোকে খ্যাতনামা পৰিচালক ৰাকেশ শৰ্মাৰ "Final Solution" নামৰ তথ্য চিত্রখন চাব পাৰে; য'ত গুজৰাটৰ সাম্প্রদায়িক সংঘৰ্ষৰ পটভূমিত আৰ এছ এছ তথা বিজেপি দলৰ প্রকৃত স্বৰূপ পোহৰলৈ উলিয়াই আনিছে।

ধৰ্ম একোটাই শিকোৱা ধৰ্মনিৰপেক্ষতা চিৰদিনেই একপক্ষীয় হোৱাৰ সম্ভাৱনাই অধিক আৰু সেয়েই ধৰ্মই শিকোৱা ধৰ্মনিৰপেক্ষতা নহয়, বৰঞ্চ মানুহৰ স্বাভাৱিক ধৰ্ম 'মানৱতা'ই শিকোৱা নৈতিকতা, ধৰ্মনিৰপেক্ষতা তথা উদাৰতাৰ বাটত বৰ্তমানৰ লগতে ভৱিষ্যৎ প্রজন্মই যাত্রা কৰক, সেয়া আমাৰ কাম্য আৰু ই সম্ভৱ, 'ধৰ্ম' নামৰ আফিংবিধৰ নিচাৰ পৰা এই প্রজন্মক মুক্ত কৰিব পাৰিলেহে। সেয়েই আজিৰ পৃথিৱীত ন্যায়, সত্য আৰু নৈতিকতাৰ শিক্ষা কোনো বিশেষ ধৰ্মভিত্তিক নহৈ কেৱল যুক্তিভিত্তিক হোৱা দৰকাৰী। লগতে দৰকাৰী শিক্ষা আৰু ধৰ্মৰ পৃথকীকৰণ। কেৱল শিক্ষাই নহয়, সামগ্রিকভাৱে ধৰ্মৰ প্রভাৱৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব পাৰিলেহে পৃথিৱীৰ মানুহ প্রকৃততে মানৱতা, উদাৰতা আৰু নৈতিকতাৰ গৰাকী হ'ব পাৰিব; মানুহক কেৱল 'মানুহ' হিচাপে চাব পৰা দৃষ্টিৰ অধিকাৰী হ'ব পাৰিব।

> মৌলবাদৰ এক অন্যতম লক্ষণ হ'ল অতীতকেন্দ্রিক ধাৰণাৰ অতিৰঞ্জন। ভাৰততো হিন্দুত্ব পন্থীসকলে প্রচাৰ আৰু বিশ্বাস কৰা এনে এক অতিৰঞ্জন হ'ল প্রাচীন ভাৰতীয় সভ্যতাৰ সৰ্বশ্ৰেষ্ঠতা। ইয়াৰ লগতে তেওঁলোকে গুৰুত্ব দিয়ে শাস্ত্রীয় ঐতিহ্যৰ পুনঃপ্রতিষ্ঠাত, যি ঐতিহ্যৰ কেন্দ্র বহু সময়ত অসমতা, মৌলবাদ, বৰ্ণভেদ তথা লিংগভেদৰ সূত্ৰধাৰ ৰূপী মনুসংহিতাৰ দৰে শাস্ত্র।

(লেখিকা উত্তৰ-পূব বিজ্ঞান আৰু প্রযুক্তিবিদ্যা প্রতিষ্ঠান, যোৰহাটৰ জৈৱ প্রযুক্তিবিদ্যা বিভাগৰ প্রকল্প সহযোগী।)

সম্পাদকলৈ চিঠি

(মতামতৰ বাবে সম্পাদক দায়ী নহয়)

অপ্রাদেশীকৃত বিদ্যালয়

সমগ্ৰ অসমতে কেইবা-হাজাৰো বিদ্যালয় প্রাদেশিকীকৰণ নোহোৱাকৈ আজি বহুদিন ধৰি আছে। এই বিদ্যালয়বোৰত বহু হাজাৰ শিক্ষক-কৰ্মচাৰীয়ে আশাক সাৰথি কৰিয়েই বিনা বেতনে শিক্ষাদান কৰি আহিছে। শিক্ষকসমাজে বেলেগ বেলেগ ধৰণে আন্দোলন কৰিছে। চৰকাৰে সময়ে সময়ে আশ্বাস, প্রতিশ্রুতি দি আন্দোলন সেমেকাই ৰাখিছে। ৩০/৩৫ বছৰ কাল বিনা বেতনে শিক্ষাদান কৰি অহা শিক্ষক-কৰ্মচাৰীসকলক লৈ চিন্তা কৰাৰ প্রয়োজন চৰকাৰ নাইবা বিৰোধী পক্ষ কাৰোৰেই যেন নাই। বৰ্তমানৰ চৰকাৰে ২০০৪ চনতে বিদ্যালয় প্রাদেশিকীকৰণত অপাৰগতা প্রকাশ কৰি শিক্ষক-কৰ্মচাৰীসকলক আৰ্থিক সকাহ দিবলৈ বুলি এক আঁচনি ঘোষণা কৰিলে সেই অনুসাৰে প্রাথমিক বিদ্যালয়বোৰলৈ প্রতিমাহে ২০০০ টকা, এম ই স্কুলবোৰলৈ ৫,৭০০ টকাকৈ আৰু হাই স্কুলবোৰলৈ মাহিলি ১৬,২০০ টকাকৈ দিয়াৰ কথা ঘোষণা কৰিছিল। পলমকৈ হ'লেও ২০০৫-০৬ বৰ্ষৰ পৰা কিছুসংখ্যক এল পি আৰু এম ই স্কুললৈ দুবছৰৰ বাবে ঘোষণা কৰাৰ দৰেই সাহায্য প্রদান কৰিলে। কিন্তু হাইস্কুলসমূহলৈ ২০০৫-০৬ বৰ্ষৰ বাবে দিয়া নহ'ল। মাত্র ২০০৬-০৭ৰ বাবে দিয়া হ'ল, তাকো ঘোষিত পৰিমাণৰ নহয়। ৫১২ খন হাইস্কুলৰ প্রতিখনলৈ ১০,৬০৮ টকাকৈহে দিলে। স্কুলৰ প্রধানসকলেও শোকোতাকে মুকুতা বুলি গ্রহণ কৰিলে, ঘোষণা কৰা অনুসাৰে কিয় দিয়া নহ'ল সেই প্রশ্নও অৱতাৰণা নকৰিলে। আকৌ কোৱা হৈছিল যে প্রথম পৰ্যায়ত এই আঁচনিভুক্ত বিদ্যালয়বিলাক প্রদেশিকীকৰণ কৰি বাকী থাকি যোৱাখিনিক এনে আঁচনিলৈ অনা হ'ব। বৰ্তমান অসম অপ্রাদেশীকৃত হাইস্কুল আৰু হাইমাদ্রাছা একচন কমিটী নামৰ সংস্থাটোৰ এটা প্রতিনিধি দলে কেইবাজনো কেন্দ্রীয় নেতাৰ লগতে ভাৰতৰ মাননীয় মানৱ সম্পদ উন্নয়ন মন্ত্রী আৰু মাননীয় প্রধান মন্ত্রী মহোদয়কো লগ ধৰি এই সমস্যা সমাধানৰ বাবে আহ্বান জনায়। দুয়োজনা মন্ত্রীয়ে বিষয়টো গুৰুত্ব সহকাৰে লৈ অসম চৰকাৰৰ লগত যোগাযোগ কৰি ১৮২৫ খন হাইস্কুল আৰু হাইমাদ্রাছা স্কুলৰ বাবে প্রয়োজন হোৱা ২৫০ কোটি টকা প্রাদেশিকীকৰণৰ বাবে একাদশ পৰিকল্পনাত অসমলৈ দিয়াৰ প্রতিশ্রুতি দিয়ে। সেই খবৰে শিক্ষক কৰ্মচাৰীৰ পৰিয়ালবোৰক যথেষ্ট উৎফুল্লিত হোৱা দেখা গ'ল। পৰিকল্পনাৰ ধন পূৰ্বতকৈ যথেষ্ট বেছিকৈ পোৱা বুলিও অসম চৰকাৰে ইতিমধ্যে স্বীকাৰ কৰিছে। কিন্তু আশা কৰা মতেই ১৮২৫খন হাইস্কুল আৰু হাইমাদ্রাছা স্কুলৰ প্রাদেশিকীকৰণ হ'বনে? যদি, কিন্তু, হেঁতেন আদি বৰ ভয়াৱহ শব্দ। তাৰে এটা প্রয়োগ কৰি এটা চৰকাৰী ঘোষণা কৰি দিলেই সকলো শিক্ষক কৰ্মচাৰীৰ আশাত চেঁচাপানী পৰাৰ আশংকাত বৰ্তমান শিক্ষক-কৰ্মচাৰীসকল চিন্তিত হৈ আছে। ৰাইজৰ সেৱকসকলে অসমৰ বহু জ্বলন্ত সমস্যাৰ লগতে এই বাস্তৱ সমস্যাটোৰ সমাধান উলিওৱাটো সকলোৱে কামনা কৰে। মাননীয় শিক্ষা মন্ত্রী মহোদয়ে শিক্ষক-কৰ্মচাৰীসকলৰ দুখ উপলব্ধি কৰি উপযুক্ত ব্যৱস্থা ল'বনে?

দেৱন তামুলী
তিতাবৰ।

বি কম পাঠ্যক্রম

জানিব পৰা মতে গুৱাহাটী বিশ্ববিদ্যালয়ে বি কম নতুন পাঠ্যক্রম প্রৱৰ্তনৰ ক্ষেত্রত গণিত বিষয়টো মেজৰ পাঠ্যক্রমৰ লগত বাধ্যতামূলক অন্তৰ্ভুক্তিৰে নতুন শিক্ষাবৰ্ষৰ (২০০৮-০৯) পৰা প্রণয়নৰ বাবে ইতিমধ্যে প্রস্তুতি সম্পূৰ্ণ কৰিছে। প্রচলিত বি কম পাঠ্যক্রমত গণিত আৰু ইঞ্চুৰেন্স বিষয়টো স্বেচ্ছামূলক হিচাপেহে অন্তৰ্ভুক্ত আছিল। তাৎক্ষণিকভাৱে যদি বি কম পাঠ্যক্রমত গণিত বিষয়টো বাধ্যতামূলক হিচাপে অন্তৰ্ভুক্ত কৰা হয়, তেন্তে বাণিজ্য শিক্ষাৰ আহৰণৰ ক্ষেত্রত বহুবোৰ ছাত্র-ছাত্রীৰ বাবে এক প্রতিবন্ধকতাৰ সৃষ্টি হ'ব আৰু বাণিজ্য শিক্ষাৰ এক স্থবিৰতা আহি পৰিব। উল্লেখনীয় যে উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বাণিজ্য শিক্ষাত গণিত বিষয়টো বাধ্যতামূলক নহয়। সেয়েহে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক আমি বিনম্রভাৱে অনুৰোধ জনাওঁ যাতে নতুন বি কম পাঠ্যক্রমত গণিত বিষয়টো বাধ্যতামূলক নকৰি স্বেচ্ছামূলক হিচাপে ৰাখিব লাগে যাতে বাণিজ্য শিক্ষাৰ জনপ্রিয়তা অটুট থাকে। এই ক্ষেত্রত ছাত্র-ছাত্রীসকলৰ বাণিজ্য শিক্ষাৰ ভৱিষ্যতৰ কথা চিন্তা কৰি শিক্ষক, অভিভাৱকসকলকো আগবাঢ়ি আহিবলৈ আহ্বান জনালোঁ।

গুঞ্জন গুপ্তা
সহকাৰী সাধাৰণ সম্পাদক,
বজৰং বোথৰা
উপসভাপতি,
গুৱাহাটী বাণিজ্য
মহাবিদ্যালয় ছাত্র একতা
সভা।

অনুৰোধ

সম্পাদকীয় পৃষ্ঠাত প্রকাশৰ বাবে প্রেৰণ কৰা প্রবন্ধ ১০০০ শব্দৰ ভিতৰত হোৱা উচিত। আমাৰ সকলো লেখকে এই দিশৰ প্রতি মনোযোগ দি আমাক সহযোগিতা কৰিব বুলি আশা কৰিলোঁ।

সম্পাদক